# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-09-2025
**Time :** 1340 hrs

*Assamese Midday Bulletin*

## HEADLINES

১। দেশৰ উদ্যোগ জগতে শেহতীয়া জি এছ টি সংস্কাৰ ব্যৱস্থাক আদৰণি জনাই কৰ ব্যৱস্থাৰ সৰলীকৰণৰ ফলস্বৰূপে ব্যৱসায়-বাণিজ্য পূৰ্বতকৈ সহজ হৈ উঠিব বুলি মত প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৰং আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হৈছে।

৩। বিহাৰত শাসনাধিষ্ঠিত বিজেপি আৰু জে ডি ইউ নেতৃত্বাধীন এন ডি এই আজি ৰাজ্যজুৰি ঘোষণা কৰা বন্ধৰ ব্যাপক প্ৰভাৱ পৰিলক্ষিত হৈছে।

৪। ভাৰতৰ মুখ্য ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাৱাইয়ে কাইলৈ ভাৰত-নেপাল ন্যায়িক আলোচনাত ভাষণ দিব।

*আৰু*

৫। ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত আজি সন্ধিয়া ভাৰতৰ য়ুকি ভাম্ব্ৰী আৰু তেওঁৰ নিউজিলেণ্ডৰ সহযোগী মাইকেল ভেনাছ ব্ৰিটিছ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

দেশৰ উদ্যোগ জগতে শেহতীয়া জি এছ টি সংস্কাৰ ব্যৱস্থাক আদৰণি জনাই কৰ ব্যৱস্থাৰ সৰলীকৰণৰ ফলস্বৰূপে ব্যৱসায়-বাণিজ্য পূৰ্বতকৈ সহজ হৈ উঠিব বুলি মত প্ৰকাশ কৰিছে। ভাৰতীয় উদ্যোগ মহাসংঘ চি আই আয়ে এই সন্দৰ্ভত কয় যে ৫ শতাংশ আৰু ১৮ শতাংশৰ দুই তৰপীয়া জি এছ টিৰ ব্যৱস্থাই ধন ঘূৰাই পোৱা প্ৰক্ৰিয়াৰ লগতে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ কাম-কাজ সৰল কৰি তুলিব। গাইগুটীয়া জীৱন বীমা আৰু স্বাস্থ্য বীমা খণ্ডক জি এছ টিৰ পৰা ৰেহাই দিয়া কাৰ্যৰ শলাগ লৈ ইয়াৰ ফলত সংশ্লিষ্ট সকলো পক্ষ উপকৃত হ'ব বুলি মহাসংঘই মত প্ৰকাশ কৰে। একেদৰে ফেডাৰেচন অব ইণ্ডিয়ান চেম্বাৰ্ছ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰী চমুকৈ এফ আই চি চি আইয়ে শেহতীয়া এই সংস্কাৰ সাধনে সংগ্ৰহৰ পৰিমাণ সুস্থিৰভাৱে বৃদ্ধি হোৱা পৰোক্ষ কৰ ব্যৱস্থাৰ পৰিপক্কতাক প্ৰতিফলিত কৰা বুলি মত প্ৰকাশ কৰিছে। সংস্থাটোৰ ভূতপূৰ্ব অধ্যক্ষ সুব্ৰকান্ত পাণ্ডাই এই ব্যৱস্থাক বৃহৎ কথা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰি কয় যে ইয়াৰ ফলত ব্যৱস্থাটোৰ সৈতে জড়িত ভালেমান কাম-কাজ সৰল হোৱাৰ পথ প্ৰশস্ত হৈ পৰিল। তদুপৰি এই ব্যৱস্থাই আত্মনিৰ্ভৰ ভাৰতৰ ভেটি শক্তিশালী কৰি তোলা বুলিও তেওঁ মত প্ৰকাশ কৰে।

ooooo

সামগ্ৰী আৰু সেৱা কৰ  জি এছ টিৰ সংশোধনৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা শেহতীয়া ব্যৱস্থাই সকলো পক্ষকে উপকৃত কৰিব বুলি দেশৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণে মত প্ৰকাশ কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য

মন্ত্ৰী জে পি নাড্ডাইও ইয়াৰ ফলত স্বাস্থ্য সেৱাৰ বাবে হোৱা ব্যয়ৰ পৰিমাণ হ্ৰাস পোৱাৰ লগতে জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীত হ'ব বুলি আশা প্ৰকাশ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীনাড্ডাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰ ব্যৱস্থাই দেশৰ দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাক নিশ্চিত কৰিছে। তেওঁ কয় যে কৰ্কট ৰোগ আৰু আন কেইবাটাও জটিল ৰোগৰ চিকিৎসাত ব্যৱহাৰ হোৱা ৩৬বিধ জীৱনদায়িনী ঔষধৰ ক্ষেত্ৰত জি এছ্ টিৰ হাৰ শূন্য শতাংশলৈ হ্ৰাস কৰা হৈছে। তদুপৰি স্বাস্থ্য আৰু জীৱন বীমাক জি এছ্ টিৰ পৰা ৰেহাই দিয়া হৈছে বুলি উল্লেখ কৰি এই কাৰ্যক দেশৰ জনসাধাৰণক উপকৃত কৰিব পৰা বৃহৎ পদক্ষেপ বুলি তেওঁ মত প্ৰকাশ কৰে।

ooooo

জি এছ্ টি পৰিষদে জনসাধাৰণ, কৃষক আৰু কৃষি, স্বাস্থ্য খণ্ড, উদ্যোগকে ধৰি অৰ্থনীতিৰ মূল খণ্ডসমূহত গুৰুত্ব আৰোপ কৰি সামগ্ৰী আৰু সেৱা কৰৰ যুক্তিগত সংস্কাৰ সাধনত অনুমোদন জনাইছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সাধাৰণ লোক আৰু মধ্যবিত্ত সামগ্ৰীসমূহৰ ওপৰত থকা জি এছ্ টিৰ পৰিমাণ পূৰ্বৰ ১৮ অথবা ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে ব্যক্তিগত জীৱন বীমা আঁচনি, স্বাস্থ্য বীমা আঁচনি তথা জ্যেষ্ঠ নাগৰিকৰ বাবে থকা আঁচনিসমূহৰ ক্ষেত্ৰত থকা জি এছ্ টি উঠাই লোৱাৰ বিষয়টোত জি এছ্ টি পৰিষদে অনুমোদন জনাইছে। নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ পৰাই অৰ্থাৎ অহা ২২ ছেপ্তেম্বৰ পৰাই এই পৰিৱৰ্তনসমূহ কাৰ্যকৰী হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে কয়, যে সাধাৰণ লোকসকলৰ বাবে বীমাৰ সুবিধা সুলভ কৰাৰ উদ্দেশ্যে জি এছ্ টিৰ ক্ষেত্ৰত এই সংস্কাৰ সাধন কৰা হৈছে।

শ্ৰীমতী সীতাৰমনে কয়, যে জীৱন ৰক্ষাকাৰী ৩৩ প্ৰকাৰৰ ঔষধৰ ক্ষেত্ৰত থকা ১২ শতাংশ জি এছ্ টি সম্পূৰ্ণ ৰূপে উঠাই দিয়া হৈছে। সেইদৰে কৰ্কট ৰোগ তথা অন্যান্য জটিল ৰোগৰ চিকিৎসাত ব্যৱহৃত ঔষধৰ ক্ষেত্ৰত থকা ৫ শতাংশ জি এছ্ টি সম্পূৰ্ণ ৰূপে প্ৰত্যাহাৰ কৰাৰ কথাও বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। অন্যান্য ঔষধৰ ক্ষেত্ৰত থকা জি এছ্ টিৰ পৰিমাণ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। সেইদৰে চিকিৎসাত ব্যৱহৃত বিভিন্ন সা-সঁজুলি আৰু শল্য চিকিৎসা, দন্ত চিকিৎসা, পশু চিকিৎসা আদিৰ ক্ষেত্ৰত ব্যৱহৃত যন্ত্ৰপাতিৰ ওপৰত থকা জি এছ্ টিৰ পৰিমাণ ১৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

ooooo

সমগ্ৰ দেশতে কাইলৈ ৰাষ্ট্ৰীয় শিক্ষক দিৱস উদযাপন কৰা হ'ব। শিক্ষক, দাৰ্শনিক তথা অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰাক্তন ৰাষ্ট্ৰপতি সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটো দেশজুৰি শিক্ষক দিৱস হিচাপে উদযাপন কৰা হয়। ৰাধাকৃষ্ণণে দেশৰ শিক্ষাখণ্ডত ৰূপান্তৰকাৰী সংস্কাৰ সাধন কৰিছিল। তেওঁৰ জন্মদিনৰ লগত সংগতি ৰাখি শিক্ষক হিচাপে অনবদ্য সেৱা আগবঢ়োৱা দেশৰ মুঠ ৪৫গৰাকী শিক্ষকক ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ বঁটাৰে সন্মানিত কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱং আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হৈছে। শ্ৰীৱং প্ৰধানমন্ত্ৰী মোদীৰ আমন্ত্ৰণ মৰ্মে তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিছে। বৈঠকত দুয়োগৰাকী নেতাই ভাৰত আৰু ছিংগাপুৰৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত

বিষয়সমূহত আলোচনা কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে শ্ৰীৱঙক নতুন দিল্লীত সাক্ষাৎ কৰে। ড০ জয়শংকৰে ভাৰত-ছিংগাপুৰ সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীগৰাকীৰ নিৰন্তৰ প্ৰয়াসৰ শলাগ লয়। শ্ৰীমোদী আৰু শ্ৰীৱঙৰ মাজৰ আলোচনাই দুয়োখন দেশৰ মাজৰ সমসাময়িক সম্পৰ্কৰ দিশত এটা ৰূপৰেখা প্ৰস্তুত কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ভাৰত-ছিংগাপুৰ কূটনৈতিক সম্পৰ্কৰ ৬০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত প্ৰধানমন্ত্ৰী ৱঙৰ এই ভ্ৰমণ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ অংশীদাৰিত্ব সুদৃঢ় কৰাৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতা অব্যাহত ৰখাটো পুনৰ নিশ্চিত কৰিছে। এই ভ্ৰমণে লগতে প্ৰধানমন্ত্ৰী দুগৰাকীক পাৰস্পৰিক স্বাৰ্থ সম্বলিত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ত আলোচনাৰ সুযোগ প্ৰদান কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ছিংগাপুৰ হৈছে ভাৰতৰ গুৰুত্বপূৰ্ণ অংশীদাৰ আৰু বিগত বৰ্ষৰ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী মোদীৰ ছিংগাপুৰ ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক ব্যাপক কৌশলগত অংশীদাৰিত্বলৈ পৰিণত কৰিলে।

০০০০০

বিহাৰত শাসনাধিষ্ঠিত বিজেপি আৰু জে ডি ইউ নেতৃত্বাধীন এন ডি এই আজি ৰাজ্যজুৰি ঘোষণা কৰা বন্ধৰ ব্যাপক প্ৰভাৱ পৰিলক্ষিত হৈছে। কংগ্ৰেছ আৰু ৰাষ্ট্ৰীয় জনতা দলে দাৰভাঙ্গাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তেওঁৰ মাতৃক লৈ বিৰূপ মন্তব্য কৰাৰ প্ৰতিবাদত এন ডি এ সমৰ্থিত দলসমূহে এই বন্ধৰ আহ্বান জনায়। আজি পুৱাৰে পৰা বিজেপি আৰু জনতা দল ইউনাইটেডকে ধৰি অন্যান্য দলৰ নেতাসকলে বিভিন্ন স্থানত বন্ধৰ সমৰ্থনত ধৰ্ণা দিয়ে। পাটনা, বেগুচৰাই, মুংগাৰ, ভগলপুৰ, ছেওহৰ আৰু ভোজপুৰকে ধৰি প্ৰায় সকলো জিলাতে বন্ধৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। বন্ধৰ সময়ছোৱাত বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটৰ বিধায়ক, সাংসদ, জিলা সভাপতি আৰু জ্যেষ্ঠ নেতাসকলে কংগ্ৰেছ আৰু ৰাষ্ট্ৰীয় জনতা দলৰ বিৰুদ্ধে পথে পথে শ্লোগান দিয়ে। এন ডি এ সমৰ্থিত বিভিন্ন দলৰ মহিলা মৰ্চাসমূহেও ভিন ভিন স্থানত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০০

ভাৰতৰ মুখ্য ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাৱাইয়ে কাইলৈ ভাৰত-নেপাল ন্যায়িক আলোচনাত ভাষণ দিব। মুখ্য ন্যায়াধীশ হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত আজি সন্ধিয়া প্ৰথমবাৰৰ বাবে তেওঁ কাঠমাণ্ডুত উপস্থিত হ'ব। ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা গাৱাইয়ে কাইলৈ এই বৈঠকত অংশগ্ৰহণ কৰাৰ লগতে নেপালৰ মুখ্য ন্যায়াধীশ প্ৰকাশমন সিং ৰাউতৰ সৈতে সুকীয়াকৈ এখন বৈঠকত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত তেওঁ বুদ্ধ সাংস্কৃতিক নগৰী লুম্বিনীৰ লগতে পাটানত অৱস্থিত ইউনেস্কোৰ সাংস্কৃতিক ঐতিহ্যস্থলী আৰু কাঠমাণ্ডু পশুপতিনাথ মন্দিৰো দৰ্শন কৰিব।

উল্লেখযোগ্য যে চুবুৰীয়া দেশ দুখনৰ মাজত দীৰ্ঘদিন ধৰি ন্যায়িক দিশত পাৰস্পৰিক সহযোগিতা অব্যাহত আছে। ইয়াৰ পূৰ্বে নেপালৰ তৎকালীন মুখ্য ন্যায়াধীশ বিশ্বম্ভৰ প্ৰসাদ শ্ৰেষ্ঠৰ আমন্ত্ৰণ ৰক্ষা কৰি পূৰ্বৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়েও যোৱা বছৰ তিনিদিনীয়া চৰকাৰী কাৰ্যসূচীৰে নেপাল ভ্ৰমণ কৰিছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ ডাক ব্যৱস্থাক দুৱাৰডলিত বেংকিং সেৱা আগবঢ়াব পৰা বিশ্বৰ সৰ্ববৃহৎ নেটৱৰ্ক বুলি অভিহিত কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ এটা বাৰ্তা সন্দৰ্ভত মত

পোষণ কৰি তেওঁ কয় যে চৰকাৰৰ অভূতপূৰ্ব প্ৰয়াসৰ ফলস্বৰূপে দেশৰ সাধাৰণ ডাকোৱালগৰাকী বিত্তীয় অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত বাৰ্তাবাহক হিচাপে পৰিগণিত হৈছে। শ্ৰীসিন্ধিয়াই তেওঁৰ লিখনিত ভাৰতৰ ডাক বিভাগৰ কাৰ্যালয় আৰু দেশৰ ডাক বিভাগৰ লেনদেনৰ সৈতে জড়িত বেংকৰ জৰিয়তে বিশ্বৰ সবাতোকৈ পুৰণি ডাক ব্যৱস্থাটো সম্প্ৰতি দুৱাৰডলিতে বেংকৰ সেৱা আগবঢ়াব পৰা বিশ্বৰ সৰ্ববৃহৎ প্ৰতিষ্ঠানলৈ ৰূপান্তৰিত হোৱা বুলি মত প্ৰকাশ কৰিছে। তেওঁ লগতে **ইণ্ডিয়া পোষ্ট পেমেণ্ট বেংক**ৰ জৰিয়তে ১৪০ কোটি লোকে নিজ নিজ ঘৰৰ পদূলিমুখত বেংকৰ সেৱা লাভ কৰাটো সম্ভৱপৰ হৈ উঠিছে বুলিও কয়।

ooooo

ইউ এছ্ অ'পেন টেনিছ্ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ্ৰ ছেমি ফাইনেলত আজি সন্ধিয়া ভাৰতৰ য়ুকি ভাম্ব্ৰী আৰু তেওঁৰ নিউজিলেণ্ডৰ সহযোগী মাইকেল ভেনাছ্, ব্ৰিটিছ্ যুটী নীল স্কুপস্কি আৰু জ' ছেলিজবেৰিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে, পুৰুষৰ ছিংগলছত যোৱা মঙলবাৰে ন'ভাক জকভিছে টাইলৰ ফ্ৰিট্জক কোৱাৰ্টাৰ ফাইনেলত ৬-৩, ৭-৫, ৩-৬, ৬-৪ ছেটত পৰাস্ত কৰে। জকভিছে কাইলৈ স্পেইনৰ কাৰ্লোছ্ আলকাৰেজৰ বিৰুদ্ধে ছেমি পাইনেলত অৱতীৰ্ণ হ'ব।

মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ আমাণ্ডা আনিছিম'ভাই পোলেণ্ডৰ ইগা শ্বাইটেক ৬-৪, ৬-৩ ছেট পৰাস্ত কৰি প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

**সমাপ্ত**